আইনী সাক্ষৰতা শৃংখলা-১০

# নাজমাই পালে সুবিচাৰ

## অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬



সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী
গুৱাহাটী - ৭৮১০০১


No. ASLSA-38/2014/21

Dated: Guwahati the 18 th April '2016

To
The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

Mridul Kr. Saikia
18/4/2016

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

22/4/16

Encl:
As stated above.

# নাজমাই পালে সুবিচাৰ

## (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)

আইনী সাক্ষৰতা শৃংখলা- ১০

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Nazmai Pale Subichar :**This book is based on legal awareness for the neoliterates on Illegale Human Traffic Act 1956. This book is prepared and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ্‌, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম ( নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# নাজমাই পালে সুবিচাৰ

নাজমা এজনী অতি দুখীয়া ঘৰৰ ছোৱালী আছিল। নিচেই সৰুতে পিতৃক হেৰুৱা নাজমাক মাক চেলিমাই, কেইবাটাও ল'ৰা-ছোৱালীৰ মাজত অতি কষ্টেৰে ডাঙৰ-দীঘল কৰিছিল। সৰুৰে পৰাই ৰূপে-গুণে অতুলনীয়া নাজমাক গাঁওখনৰ সকলোৱে বৰ ভাল পাইছিল। কিন্তু নাজমাহঁতৰ ভিতৰুৱা গাঁওখনত এতিয়াও চৰকাৰী শিক্ষা ব্যৱস্থাই স্পৰ্শ কৰিব পৰা নাছিল। গাঁওখনৰ সৰবৰহী কাঠমিস্ত্ৰী ৰবীন নাথৰ, অসমৰ বাহিৰৰ পৰা অহা সুৰিন্দমৰ লগত নলে-গলে লগা বন্ধুত্ব স্থাপন হৈছিল। এদিন সুৰিন্দমে ৰূপহী নাজমাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দাঙি ধৰিলে। নাজমাৰ মাতৃ চেলিমাক সুৰিন্দৰে বুজালে যে, নাজমাক বিয়া কৰাই সি সিহঁতৰ পৰিয়ালৰ সকলো অভাৱ দূৰ কৰিব। সেই অজুহাতত নাজমাৰ মাকৰ হাতত সি কিছু টকা-পইচাও দি থৈ আহিল। নাজমাক সি বহুত সুখত ৰাখিব।

সহজ-সৰল নাজমা এদিন সুৰিন্দৰৰ লগত ৰেলেৰে গৈ দিল্লী মহানগৰী পালে। এটা অন্ধকাৰ গলিৰ সৰু কুঠুৰী

এটাত নাজমা আৰু সুৰিন্দৰ স্বামী-স্ত্ৰী হিচাপে থাকিল। লাহে লাহে নাজমাৰ চকুত সুৰিন্দৰৰ আচল ৰূপ ধৰা পৰিল। মাতাল সুৰিন্দৰে নাজমাৰ ওপৰত শাৰীৰিক অত্যাচাৰ আৰম্ভ কৰিলে। ক্ৰমান্বয়ে সুৰিন্দৰৰ বিভিন্ন মতলবী বন্ধু নাজমাৰ অতিথি হ'ল। নাজমাৰ বহুত কাকূতি-মিনতি, অনুনয়-বিনয়েও লম্পট সুৰিন্দৰৰ হৃদয় গলাব নোৱাৰিলে। এদিন সুযোগ বুজি সুৰিন্দৰে নাজমাক এখন নিষিদ্ধ



এলেকাৰ, নিৰ্দিষ্ট ঠাইত বিক্ৰী কৰি দিলে। নাজমাই চকুৰে ধোঁৱা-কোৱা দেখি, এজন গ্ৰাহকৰ প্ৰস্তাৱমতে হোটেল বাৰলৈ ৰাতি-ৰাতি যাবলৈ ধৰিলে।

জীৱনৰ চকৰিত আঁজলী নাজমাৰ ভাগ্যৰ পট পৰিবৰ্তন হ'বলৈ ধৰিলে। নাজমা দিল্লীলৈ অহাৰে পৰা নিজৰ দেশ আৰু ঘৰলৈ ঘূৰি অহাৰ সুযোগ বিচাৰি ফুৰিছিল। নাজমাই ভাবিছিল, তাই কেনেবাকৈ ঘৰলৈ ঘূৰি যাব পাৰিলে, তাইৰ দৰে হতভাগী ছোৱালীবোৰকো উদ্ধাৰ কৰিব পাৰিব। সেইবাবে তাই সদায় নেদেখাজনৰ ওচৰত দোৱা মাগিছিল। মানুহৰ মনত সৎ চিন্তা আৰু সৎ ভাৱনা থাকিলে, নেদেখাজনে সেই আশা পূৰ্ণ কৰিবই। নাজমাৰো সেয়ে হ'ল। এদিন ৰাতি তাই থকা হোটেলখনত তালাচী চলিল। সেই সময়ত নাজমাই এজন অতি অমায়িক ভদ্ৰলোকক লগ পালে মানুহজনৰ কথাবতৰাত নাজমাই অসমৰ গোন্ধ পালে। সুযোগ বুজি তাই নিজৰ মাতৃভাষাত (অসমীয়াত) কথা পাতিবলৈ ধৰিলে। মানুহজনে পাছদিনা তাইক অসম পুলিচৰ পৰিচয়পত্ৰ দেখুৱাই নিজৰ দেশৰ হেৰাই যোৱা নাবালিকাসকলক উদ্ধাৰৰ বাবে অহাৰ কথা ক'লে। নাজমাই হাততে স্বৰ্গ ঢুকি পোৱাৰ দৰে হ'ল।



নাজমাই তাইৰ লগত বন্দী হৈ থকা আৰু চাৰিজনী ছোৱালীক উদ্ধাৰ কৰিবৰ বাবেও সামৰ্থ্য হ'ল। পুলিচৰ চোৰাংচোৱা অহাৰ বাতৰি পাই মানৱ সৰবৰহকাৰী দলটো পলাই পত্ৰং দিলে যদিও, সাহসী নাজমাই সিহঁতৰ পৰিচয় দিবলৈ সক্ষম হ'ল। "অনৈতিক মানৱ সৰবৰাহ বিৰোধী আইন ১৯৫৬ৰ অধীনত পুলিচ ইন্‌চপেক্টৰ অবিনাশ বৰুৱাই নাজমাহঁতৰ দলটো অসমৰ এটা সংস্থানৰ হাতত গতাই

দিলে। শিশু আৰু মহিলাৰ উদ্ধাৰৰ অৰ্থে গঠিত হোৱা, এই মহৎ সংস্থানটিয়ে দিশহাৰা মহিলাসকলক, বিভিন্ন কৰ্ম সংস্থাপনৰ দ্বাৰা জীয়াই থকাৰ প্ৰেৰণা আৰু জীৱনৰ কঠিন মূল্যবোধৰ অৰ্থ প্ৰদান কৰিলে।

এনেদৰে "অনৈতিক মানৱ সৰবৰাহ"ৰ লগত জড়িত মানুহবোৰক (ব্যক্তি) এই আইনৰ দ্বাৰা সমুচিত দণ্ড প্ৰদান কৰাৰ লগতে সমাজত সকলো মানুহক সমানভাৱে জীয়াই থকাৰ অধিকাৰ প্ৰদান কৰা হয়।



(বি: দ্ৰ: - নাজমাহঁতৰ দলটোৰ উদ্ধাৰকাৰী পুলিচ বিষয়া অবিনাশ বৰুৱাৰ পৰামৰ্শ ক্ৰমে, নাজমাহঁতৰ দলটোৱে অনৈতিক মানৱ সৰবৰাহ বিৰোধী আইন ১৯৫৬ৰ সহায় লৈ আদালতৰ ওচৰ চাপিল। আদালতে যথাবিহিত অনুসন্ধান কৰি সুৰিন্দৰক সাত বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড বিহিলে আৰু নাজমাহঁতৰ দৰে দুৰ্ভগীয়া ছোৱালীবোৰে চৰকাৰৰ দ্বাৰা উপযুক্ত বিচাৰ লাভ কৰিলে।)

## অনৈতিক সৰবৰাহ নিবাৰণ আইন-১৯৫৬

সমাজত হৈ থকা অনৈতিক মানৱ সৰবৰাহ বৰ্তমান সমাজত এটা প্ৰত্যাহ্বান হৈছে। মানৱ সৰবৰাহ কৰা লোকক শাস্তি বিহাৰ লগতে এনে কাৰ্য্য বন্ধ কৰিবৰ বাবে চৰকাৰে এখন আইন প্ৰণয়ন কৰিছে। এই আইনখনেই হ'ল “অনৈতিক সৰবৰাহ নিবাৰণ আইন ১৯৫৬”।

## কোন এই আইনৰ অপৰাধী হয়

- পতিতাবৃত্তিৰ বাবে ব্যৱহাৰ কৰা আবাস গৃহৰ গৰাকী/মালিকসকল
- পতিতাবৃত্তিত জড়িত কৰোতা।
- পতিতাবৃত্তিত জড়িত কৰিবৰ বাবে ধন লোৱাসকলক।

- আনৰ পতিতাবৃত্তিৰ পৰা উপাৰ্জন লাভ কৰা সকল।
- যৌন উৎপীড়নৰ বাবে পতিতালয়লৈ নিয়া লোকসকল।
- পতিতালয়ত আবদ্ধ কৰি ৰাখোতা।

**আইনে কি শাস্তি প্ৰদান কৰিব**

- পতিতাবৃত্তিৰ বাবে ব্যৱহাৰ কৰা আবাস গৃহৰ গৰাকীক ২ বছৰৰ পৰা ৭ বছৰ পৰ্য্যন্ত সশ্ৰম কাৰাদণ্ড আৰু ২ লখা টকা জৰিমনা।
- পতিতাবৃত্তিত জড়িত কৰা বা পতিতা বৃত্তিৰ বাবে লৈ যোৱা ব্যক্তি গৰাকীক ৩ বছৰৰ পৰা ৭ বছৰলৈ সশ্ৰম কাৰাদণ্ড আৰু ২ হাজাৰ টকা জৰিমনা।

  ১। ইচ্ছাৰ বিৰুদ্ধে এই কামত জড়িত কৰালে ৭ বছৰৰ পৰা ১৪ বছৰলৈ কাৰাদণ্ড।

  ২। এই কামত শিশু জড়িত কৰালে ৭ বছৰ সশ্ৰম কাৰাদণ্ডৰ লগতে যাৱজ্জীৱন কাৰাদণ্ড হ'ব।
- পতিতাবৃত্তিত জড়িত কৰাই উপাৰ্জন লাভ কৰা সকলক ২ বছৰ কাৰাদণ্ড আৰু ১ হাজাৰ টকা জৰিমনা।

  ১। এই ক্ষেত্ৰত শিশুক জড়িত কৰালে ৭ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ বছৰ পৰ্য্যন্ত কাৰাদণ্ড হ'ব।

- যৌন উৎপীড়নৰ বাবে পতিতালয়লৈ যোৱা অপৰাধীসকলক ৩ মাহৰ পৰা ৬ মাহ পৰ্য্যন্ত কাৰাদণ্ড আৰু ২৫ হাজাৰৰ পৰা ৫০ হাজাৰ টকা পৰ্য্যন্ত জৰিমনা।
- পতিতালয়ত আবদ্ধ কৰি ৰখা সকলক ৭ বছৰৰ পৰা যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে ১ লাখ টকালৈ জৰিমনা।

(ক) যিকোনো ঘৰ বা কোঠা য'ত কোনো ব্যক্তিক যৌন উৎপীড়ন চলোৱা হয় সেই ঠাইখনেই পতিতালয়।

(খ) ওঠৰ বছৰৰ তলৰ সকলো ল'ৰা-ছোৱালীকে এই আইনখনে শিশু বুলি গণ্য কৰে।

(গ) সৰবৰাহকাৰীৰ পৰা উদ্ধাৰ কৰি যিবোৰ ব্যক্তিক / শিশুক মানসিক ভাৰাসাম্যতা ৰক্ষা কৰিবলৈ যি ঠাইত ৰখা হয় তাকেই আশ্ৰয় গৃহ বোলা হয়।

(ঘ) আশ্ৰয় গৃহত ব্যক্তি বা শিশুসকলক শুদ্ধ পথলৈ আনিবলৈ চেষ্টা কৰা হয়।

(ঙ) ব্যৱসায়ৰ বাবে কোনো লোকক উৎপীড়ন চলোৱাক পতিতা বৃত্তি বুলি কোৱা হয়।

(চ) ৰাজ্য চৰকাৰ লগতে কেন্দ্ৰীয় চৰকাৰে এনে ব্যক্তিসকলক উদ্ধাৰ কৰাৰ বাবে আৰক্ষী বিষয়াক নিয়োগ কৰে।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)

২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)

৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)

৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)

৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)

৬) আশাৰ বেঙুনি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)

৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)

৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)

৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)

১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)

১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat

## STATE RESOURCE CENTRE ASSAM

1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in